# গৰিমা

BELTOLA COLLEGE
तमसो मा ज्योतिर्गमय
GUWAHATI - 28. ESTD - 1983

## বেলতলা মহাবিদ্যালয় আলোচনী

তত্ত্বাৱধায়ক
হিমাদ্ৰী কুমাৰ শৰ্মা
পংকজ কুমাৰ কলিতা

সম্পাদক
ধ্ৰুৱজ্যোতি শৰ্মা
অনামিকা কলিতা



FRESHMEN SOCIAL



ZENITH INAUGURATION



PLANTATION




FRESHMEN SOCIAL



# গৰিমা

## বছৰেকীয়া মুখপত্ৰ

### ত্ৰয়োদশ সংখ্যা

BELTOLA COLLEGE
तमसो मा ज्योतिर्गमय
GUWAHATI - 28. ESTD - 1983

## বেলতলা মহাবিদ্যালয়

২০১৫-১৬ বৰ্ষ


*তত্ত্বাৱধায়ক*
হিমাদ্ৰী কুমাৰ শৰ্মা
পংকজ কুমাৰ কলিতা

*সম্পাদক*
ধ্ৰুৱজ্যোতি শৰ্মা
অনামিকা কলিতা

GARIMA ; The Annual Magazine of Beltola College, Bongaon, Beltola, Guwahati-28, Edited by Dhruba Sarma, Anamika Kalita published on behalf of Beltola College Students' Union, 2015-2016

সম্পাদনা সমিতি

অধ্যক্ষ ঃ ড° অজিত বৰকটকী

সম্পাদক ঃ ধ্ৰুৱজ্যোতি শৰ্মা
অনামিকা কলিতা

তত্বাৱধায়ক ঃ হিমাদ্ৰী কুমাৰ শৰ্মা
পংকজ কুমাৰ কলিতা

সদস্য ঃ ৰশ্মিৰেখা হাজৰিকা, কামাৰুজ জামান, দিব্যজ্যোতি ডেকা, প্ৰিয়ঙ্কা বসুমতাৰী, মিতালী লহকৰ, দীপজ্যোতি শৰ্মা

আলোকচিত্ৰ ঃ পংকজ বড়ো

অংগসজ্জা ঃ লক্ষী বণিয়া

প্ৰকাশক ঃ বেলতলা মহাবিদ্যালয় ছাত্ৰ একতা সভা

মুদ্ৰণ ঃ ৰীণা প্ৰিণ্টিং প্ৰেছ,
১২৫, ৰাজগড় ৰোড, গুৱাহাটী-৭



Rodin the Thinker

# মহাবিদ্যালয় সংগীত

ৰচনা ঃ মৃগেন্দ্ৰ নাথ শৰ্মা
মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ
সুৰঃ চবিন বৰ্মন

আজি মুখৰিত মৈদাম বেলতলা
বেলতলা মহাবিদ্যালয়ৰ গৰিমা আমি

জ্ঞানৰ দুৱাৰ মেলি ব'লা যাওঁ আগবাঢ়ি
বিলাও ধৰাত পোহৰ অকণি
বেদীত জ্বলিছে জ্ঞান প্ৰদীপৰ শাৰী
আমি বান্ধিলো একতাৰ এনাজৰী

সন্ধ্যাচলৰ সৌ ত্ৰিধাৰাত আছে যে আজি বাজি
কত শত-সহস্ৰ বছৰৰেই বেদধ্বনি
তাৰে এটি মহামন্ত্ৰ আনি
বিলাও গোটেই জগত জুৰি

মহামিলনৰ এই মহাপীঠত
সাধনাৰ শিখা জ্বলে আমাৰ শিৰত
নাই ভেদা-ভেদ আমাৰ একেই আশা
জাতি-ধৰ্ম আৰু বৰ্ণ-ভাষা


বেলতলা মহাবিদ্যালয়
BELTOLA COLLEGE
GUWAHATI-28
বেলতলা মহাবিদ্যালয়
গুৱাহাটী - ২৮

সৰ্বানন্দ সোণোৱাল

সত্যমেৱ জয়তে

মুখমন্ত্ৰী, অসম
গুৱাহাটী

দিছপুৰ
২৮-১০-২০১৬

## শুভেচ্ছাবাণী



কামৰূপ জিলাৰ বেলতলা মহাবিদ্যালয়ৰ বছৰেকীয়া আলোচনী ‘গৰিমা’ৰ প্ৰকাশৰ বাবে যো-জা চলোৱা বুলি জানিবলৈ পাই মই হৰষিত হৈছো।

ছাত্ৰ-ছাত্ৰীসকলে জ্ঞান আৰু প্ৰজ্ঞাৰ সাধনাত ব্ৰতী হোৱাৰ ক্ষেত্ৰত শিক্ষানুষ্ঠান এখনৰ ভূমিকা গুৰুত্বপূৰ্ণ। ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক উৎকৰ্ষ সাধনত শিক্ষানুষ্ঠানৰ আলোচনী এখনে বহু সমল যোগায়। এখন ৰাজ্যৰ বিকাশৰ পৰ্যায় নিৰ্ণয়ত নতুন প্ৰজন্মৰ ভূমিকা অপৰিসীম। আধুনিক প্ৰতিযোগিতামুখী বিশ্বত ছাত্ৰ-ছাত্ৰীক আগুৱাই নিয়াৰ ক্ষেত্ৰত আলোচনী এখনৰ বিভিন্ন লিখনীয়ে তেওঁলোকক উদ্‌গণি যোগায়।

আনহাতে, শিক্ষানুষ্ঠানৰ আলোচনী এখনে ছাত্ৰ-ছাত্ৰীসকলক আধুনিক চিন্তা-চৰ্চা আৰু মূল্যবোধৰ শিক্ষা দিয়াৰ উপৰি বিভিন্ন ক্ষেত্ৰত জ্ঞানৰ পৰিসৰ বৃদ্ধিত সহায় কৰে। আলোচনী এখনে ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন সৃজনীশীল প্ৰতিভা প্ৰতিফলিত কৰাৰ লগতে তেওঁলোকৰ মানসিক দিগন্ত প্ৰসাৰৰ বাবে উপযুক্ত পৰিৱেশ সৃষ্টিত অৰিহণা যোগায়। এনে আলোচনীত শিক্ষক, শিক্ষাবিদ আৰু বিদ্যানুৰাগী ব্যক্তিসকলে বিদ্যায়তনিক দিশবোৰৰ ওপৰত আলোকপাত কৰি লিখা লিখনী সমূহে ছাত্ৰ-ছাত্ৰীক নতুন দিশৰ সন্ধানৰ বাবে আগ্ৰহী কৰি তোলে। আনহাতে তেওঁলোকৰ মতামত আৰু দিহা-পৰামৰ্শই গুণগত শিক্ষাৰ উন্নয়ন আৰু প্ৰসাৰত সহায় কৰে। বেলতলা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ আলোচনীখনে শিক্ষানুষ্ঠানখনৰ লগতে অঞ্চলটোৰ শৈক্ষিক ক্ষেত্ৰৰ উন্নয়নলৈ অৱদান আগবঢ়াব আৰু ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰিলো।

শিক্ষানুষ্ঠানখনৰ উত্তৰোত্তৰ উন্নতি আন্তৰিকতাৰে কামনা কৰাৰ লগতে প্ৰকাশ পাবলগীয়া ‘গৰিমা’ নামৰ আলোচনীখনে সকলোৰে পৰা সমাদৰ লাভ কৰিব বুলি আশা কৰিলো।

(সৰ্বানন্দ সোণোৱাল)

**DR. HIMANTA BISWA SARMA,** MA, LLB, Ph.D
Minister, Government of Assam
Finance, Planning & Devp. Health & F.W., Education, Guwahati Devp. Deptt., Tourism, Cooperation, Handloom & Textile, (Khadi & Village Industry), Pension & Public rievances.

सत्यमेव जयते

Assam Secretariat (Block - E)
Dispur, Guwahati - 781 006
Tel. No.: 0361-2237315
Fax : 0361-2237012
e-mail : himantab@hotmail.com

# শুভেচ্ছাবাণী



বেলতলা মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'গৰিমা'ৰ প্ৰকাশৰ যো-জা কৰা বুলি জানিবলৈ পাই অতিকৈ আনন্দিত হৈছো।

বাৰ্ষিক মুখপত্ৰ এখনে শিক্ষানুষ্ঠান এখনৰ বৌদ্ধিক প্ৰতিচ্ছবি তুলি ধৰে। আশা ৰাখিছো বেলতলা মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলে 'গৰিমা'ৰ জৰিয়তে সৃষ্টিশীল চিন্তাধাৰা আৰু প্ৰতিভা বিকাশৰ সুযোগ পোৱাৰ লগতে এই মুখপত্ৰখনত শিক্ষা, সাহিত্য, সমাজ সম্পৰ্কীয় মূল্যৱান লিখনি প্ৰকাশ পাব।

আশা ৰাখিছোঁ মহাবিদ্যালয়খনে অনাগত দিনবোৰত আৰু অধিক শিক্ষাৰ্থীক জ্ঞানৰ বন্তিৰে আলোকিত কৰি বিদ্যাৰ্থীবৃন্দৰ সোণোৱালী সপোনবোৰ বাস্তৱত ৰূপায়িত কৰাৰ লগতে শিক্ষানুষ্ঠানখনৰ অধ্যাপক-অধ্যাপিকাবৃন্দই সুস্থ শৈক্ষিক বাতাবৰণ সৃষ্টিৰে মহাবিদ্যালয়খনক আৰু অধিক আগবঢ়াই নিবলৈ যত্নপৰ হ'ব।

সদৌ শেষত বেলতলা মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰাৰ লগতে শিক্ষানুষ্ঠানখনৰ অধ্যাপক-অধ্যাপিকা, শিক্ষাৰ্থী তথা সমূহ কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।


(ড° হিমন্ত বিশ্ব শৰ্মা)

Phone : 0361-2303853
Fax : 0361-2303853
Website : www.beltolacollege.in
Email : collegebeltola@gmail.com

# BELTOLA COLLEGE GOVERNING BODY

(Under 2(f) & 12(B) of UGC Act, 1956)
*(Permanently Affiliated to Gauhati University)*
**P.O. Beltola, Guwahati-781028, Assam**

Ref. : BC/2016/Am/mag/123/396 Date : 23/11/2016



## পৰিচালনা সমিতিৰ সভাপতিৰ একাষাৰ

পোনপ্ৰথমে বেলতলা মহাবিদ্যালয়ৰ বছৰেকীয়া আলোচনী 'গৰিমা'ৰ প্ৰকাশৰ যোজা চলা শুনি আনন্দিত হৈছোঁ আৰু এইচেগতে সমূহ কৰ্মকৰ্তালৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

'গৰিমা'ই ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা প্ৰকাশ আৰু বিকাশ লভাৰ ক্ষেত্ৰত জন্মলগ্নৰে পৰা অৰিহণা যোগাই আহিছে আৰু অনাগত দিনটো এই ধাৰা অক্ষুন্ন ৰখাটো কাম্য । লগতে 'গৰিমা'ৰ মানদণ্ডৰ ক্ষেত্ৰত যোগাত্মক দিশত আগবাঢ়িব বুলি কামনা কৰিছোঁ।

শেষত 'গৰিমা' ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ।

হৰেকৃষ্ণ গায়ন
সভাপতি,
বেলতলা মহাবিদ্যালয় পৰিচালনা সমিতি
বেলতলা, গুৱাহাটী - ২৮

# Message from the Principal




I am glad that the next edition of our college magazine 'GARIMA' is going to be published. I congratulate the editors and the editorial team for their painstaking efforts in improving the standard of every new edition of 'GARIMA'. Moreover, I am also pleased to notice that a wide variety of writings from our students have been included which maintain quite high standards. It is a very good platform for the students of our college to expose their creativity.

'GARIMA' is not only a bundle of sheets assembled together systematically but it carries the words of our students, their dreams and aspirations.

Finally, my best wishes to 'GARIMA'.

**Dr. Ajit Borkotoky, MSc (Double)**
*Principal*
Beltola College

# গৰিমাৰ পাতে পাতে

## অসমীয়া বিভাগ


| | | |
|---|---|---|
| শংকৰদেৱৰ ৰাসলীলা বৰ্ণন এটি আলোচনা | মৃগেন্দ্ৰ নাথ শৰ্মা | ০১ |
| মহা-মহা পুৰুষৰ চানেকিৰে জীৱনৰ কৃষি বিজ্ঞানী জৰ্জ ৱাশ্বিংটন কাৰভেৰ | ৰশ্মিৰেখা হাজৰিকা | ০৪ |
| জোনাকী কাকতৰ কিছু কথা | ভাৰতী দেৱী | ০৬ |
| মৃত্যুৰ শিল্প | কামাৰুজ জামান | ০৮ |
| লিংগ সংবেদনশীলতা | লীনা ডেকা | ১১ |
| মানস ৰাষ্ট্ৰীয় উদ্যান | অনামিকা নাথ | ১৪ |
| গুৱাহাটী মহানগৰৰ ধৰ্মীয় স্থানসমূহৰ পৰিক্ৰমা তথা ঐতিহ্য | দীপশিখা ৰাজকুমাৰী | ১৭ |
| কাৰ্বি সংস্কৃতিৰ কিছু কথা | ধ্ৰুৱজ্যোতি শৰ্মা | ২০ |
| জ্ঞানপীঠ বঁটা বিজয়ী, ড° মামণি ৰয়ছম গোস্বামী | পিংকী দাস | ২২ |
| মেথুৱা (দেউৰী সকলৰ এক গুৰুত্বপূৰ্ণ পূজা) | সত্যজিৎ দেউৰী | ২৪ |
| সতী জয়মতী | কাকলী বৰুৱা | ২৫ |
| লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱাৰ জীৱনৰ এটি আলোকপাত | ৰিংকী মণি ডেকা | ২৬ |
| এখন ভগ্ন হৃদয় | মহিবুল ইছলাম | ২৭ |
| বন্ধুত্ব | দীপাঞ্জলি টেৰণ | ৩০ |
| পৰিৱৰ্তন | দীপামণি ডেকা | ৩২ |
| প্ৰতীক্ষা | বনশ্ৰী ডেকা | ৩৫ |
| জীৱনৰ জিয়া জুই | চবীন ৰাহাং | ৩৭ |
| ৭০ বছৰীয়া স্বাধীনতা সংকল্প | যতীন গগৈ | ৩৯ |
| কোকৰাঝাৰৰ সেই ভয়াবহ সংঘৰ্ষৰ দিনটোৰ কথা | ৰুমী কলিতা | ৪০ |
| নাৰী শিক্ষাৰ গুৰুত্ব | মৰিয়ম বেগম | ৪২ |
| দ্য গিভিং ট্ৰি | নাজমা পাৰবিন | ৪৩ |
| জীৱন | মিণ্টি শৰ্মা | ৪৫ |
| সন্ত্ৰাসবাদৰ উৎস বিচাৰ | নিলাক্ষী নাথ | ৪৬ |
| পৰিৱেশ মানৱ অধিকাৰ হয়নে ? | বিজুমণি তালুকদাৰ | ৪৮ |
| মোৰ প্ৰিয় ফিল্ম নিৰ্দেশক, কৰণ জোহৰ | হিমজ্যোতি নাথ | ৫০ |
| চিন্তন, আলি আয়ে-লৃগাং | কৰণ পেগু | ৫১ |
| যুৱ প্ৰজন্ম আৰু শিষ্টাচাৰ | সুৰভি বৈশ্য | ৫১ |
| সফলতা লাভৰ দহটা উপায় | গৰিস্মিতা দেৱী | ৫২ |
| এটি চুটি গল্প | ইস্মিতা হাজৰিকা | ৫২ |


## हिन्दी विभाग


| | | |
|---|---|---|
| भूमण्डलीकरण | दिव्ज्योति डेका | ५३ |
| हवलदार की छानबीन | रमेश कुमार राय | ५५ |
| चाय का इतिहास | गुड्डि दे | ५६ |


## কবিতা বিভাগ


৫৭-৭৮



## ইংৰাজী বিভাগ


| | | |
|---|---|---|
| The Role of Human Curtain ...... Play Ghasiram Kotwal | Pankaj Kr. Kalita | 79 |
| Illegal Immigration in Assam | Arup Kalita | 81 |
| A very brief ...... Jane Austen and Charles Dickens | Md. Kamaruj Jaman | 83 |
| Sweet Memories | Priyanka Basumatary | 87 |
| Educational Rights and Opportunities for differently | Sadhana Kalita | 89 |
| In Buddhism is there any soul | Nasmin Ara Begum | 92 |
| Heritage of Religious Sites in Guwahati City | Nitish Nath | 93 |
| Women in Defence Force | Moriom Begum | 97 |
| The two Jewels | Ngaympem Keishing | 98 |
| Discovery of New Species | Kakoli Deka | 99 |
| Superstitions and our Society | Manisha Gurung | 100 |
| Lord Krishna | Sushmita Singha | 100 |
| Education the Light of Truth | Juli Rabha | 101 |
| Nature | Manoj Moral | 102 |
| Few lines about Child Labour | Papari Das | 103 |
| History of WhatsApp | Jeniva Das | 104 |
| Global Warming | Pemso Valui | 105 |
| India's Inspiring Diversity | Ruhan Das | 106 |
| Advantages and Disadvantages of Using Cell phone | Shimsari Malung | 107 |
| The Tangkhul Naga | Sanangla Hungyo | 107 |
| In the Heart of Nostalgia | Junmani Boro | 108 |
| The role of a teacher in a student's life | Kajol Chetri | 108 |



'য়াদ কৰো কুৰবানি' কাৰ্যসূচীৰ অন্তৰ্গত চাফাই অভিযানৰ এটি মুহূৰ্ত

# তত্বাবধায়ক দ্বয়ৰ একাষাৰ





বিগত বৰ্ষবোৰৰ দৰে বেলতলা মহাবিদ্যালয়ৰ চানেকি চিৰযৌৱনা 'গৰিমা' এইবাৰো (২০১৫-১৬) বৰ্ষৰ বাবে প্ৰকাশৰ পিনে আগবাঢ়িছে। এইবাৰো কাৰ্য্যতঃ আমি যথেষ্ঠ পুলকিত হৈছো। 'গৰিমা'ৰ অৰ্থ হ'ল গৌৰৱ। বেলতলা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়ত্ৰী অথবা অধ্যাপক-অধ্যাপিকা বৃন্দৰ চিৰপ্ৰৱাহমান ৰচনাৰ ধাৰাক অব্যাহত ৰাখিবলৈ সক্ষম হৈছে 'গৰিমা' ই। মহাবিদ্যালয়খনৰ বৌদ্ধিক উৎকৃষ্টতাৰ তথা সৃজনীমূলক প্ৰতিভাৰ এক নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে এই বাৰ্ষিক মুখপত্ৰ খনিয়ে। এই মুখপত্ৰ খনিয়ে সীমাৰ পৰিধি ভাঙি ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়ত্ৰী, অভিভাৱক তথা সমাজৰ বিভিন্ন স্তৰৰ লোকৰ গঠনমূলক উপদেশক সাৰোগত কৰি এক বৌদ্ধিক উৎকৃষ্ঠতাৰ মাপকাঠি ৰূপে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰিছে। এক প্ৰজ্ঞাৰ দস্তাবেজ বহন কৰি থাকক তাৰেই শুভকামনাৰে এই লানি কলমৰ যৱনিকা পেলাইছো। তদুপৰি এই মুখপত্ৰ খনিৰ লগত জড়িত সকলো লোককে আন্তৰিক শুভকামনা জ্ঞাপন কৰিছো। 'জয়তু বেলতলা মহাবিদ্যালয়', 'জয়তু গৰিমা'।

তত্বাবধায়ক দ্বয়, গৰিমা

**হিমাদ্ৰী কুমাৰ শৰ্মা**

**পংকজ কুমাৰ কলিতা**

সহকাৰী অধ্যাপক, বেলতলা মহাবিদ্যালয়



# সভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক্‌ক্ষণত সেইসকল দূৰদৰ্শী পৰমপূজ্য মহান ব্যক্তিলৈ মোৰ শতসহস্ৰ শ্ৰদ্ধা অৰ্পণ কৰিলো। যিসকল বৰেণ্য ব্যক্তিৰ অপাৰ পৰিশ্ৰম আৰু অপৰিসীম ত্যাগৰ ফলস্বৰূপে ঐতিহ্যমণ্ডিত বেলতলা মহাবিদ্যালয়খন গঢ় লৈ উঠিছে। লগতে এই মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ড° অজিত বৰকটকী ছাৰ তথা ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানৰ পৰম পূজনীয় শিক্ষাগুৰু আৰু সকলো শিক্ষাৰ্থীক মই ধন্যবাদ জ্ঞাপন কৰিলো।

বেলতলা মহাবিদ্যালয়ত নামভৰ্তি কৰাৰ পৰাই ছাত্ৰ-ছাত্ৰী তথা মহাবিদ্যালয়খনক আৰু অলপ অগ্ৰগতিৰ পথত নিয়াৰ ইচ্ছা মনতে পুহি ৰাখিছিলো। যথাৰূপে ছাত্ৰ একতা সভাৰ সভাপতি হিচাপে যেতিয়া মনোনীত কৰিছিল তেতিয়াৰ পৰাই মহাবিদ্যালয়ৰ উন্নতিৰ ক্ষেত্ৰত আৰু অধিক সতৰ্ক হৈ পৰিছিলো। এই চেগতে মই মোৰ সতীৰ্থ তথা শিক্ষকসকললৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো, যিসকলে মোক অৰিহণা যোগাইছিল।

বেলতলা মহাবিদ্যালয়ৰ ছাত্ৰ সমাজৰ হৈ যিহেতু কাম কৰাত প্ৰৱল হেঁপাহ আছিল সেইবাবে অহৰহ চেষ্টা চলাই গৈছিলো। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ পৰা পোৱা উৎসাহ-উদ্দীপনাৰ বাবে হয়তো মই আৰু অধিক আকৃষ্ট হৈ পৰিছিলো। তথাপি হয়তো অজানিতে কিছু অভাৱ অভিযোগ পূৰণ কৰাত মই ব্যৰ্থ হৈছিলো।

**মোৰ কাৰ্যকালৰ ভিতৰত হোৱা কাৰ্যসূচীসমূহৰ খতিয়ান**

**শিক্ষক দিৱস উদ্‌যাপন ঃ** মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰমুখ্যে সকলো শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিতিত তেখেতসকলক শ্ৰদ্ধা সম্ভাষণ জনাই শিক্ষক দিৱস উদ্‌যাপন কৰা হয় আৰু এই অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে উৎসাহজনক সঁহাৰি জনায়।

**নৱাগত আদৰণী সভা ঃ** নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে আদৰি লোৱাৰ মানসেৰে এই বেলিও বিভিন্ন কাৰ্যসূচীৰে নৱাগত আদৰণী সভাখন অনুষ্ঠিত কৰা হয়। ইয়াৰ লগতে সংগতি ৰাখি এখন মুকলি সভা অনুষ্ঠিত কৰা হৈছিল য'ত বিশিষ্ট অতিথি হিচাপে শ্ৰীযুত নিতুমণি শইকীয়া উপস্থিত থাকে। সভাত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকি কাৰ্যক্ৰমণিকা নিয়াৰিকৈ পৰিচালনা কৰাত সহায় কৰে। এক বৰ্ণাঢ্য কাৰ্যসূচীৰে এই সভাৰ সামৰণি মৰা হয়। ইয়াৰ উপৰি বিভিন্ন কাৰ্যসূচী আমাৰ কাৰ্যকালত গ্ৰহণ কৰা হৈছিল। বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে মহাবিদ্যালয়ত খোৱা-পানীৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব দিয়া হৈছিল।

মোৰ কাৰ্যকালত বিভিন্ন প্ৰকাৰে দিহা-পৰামৰ্শ প্ৰদান কৰি মোক সহায় কৰা বাবে শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ড° অজিত বৰকটকী ছাৰ, তত্বাৱধায়ক শ্ৰীযুত মৃগেন নাথ শৰ্মা ছাৰ আৰু শ্ৰীযুত হিমাংশু ডেকা ছাৰ আৰু মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰীক মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। মই মোৰ সকলো বন্ধু-বান্ধৱী, ছাত্ৰ একতা সভাৰ সমূহ সদস্য আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীয়ে বিভিন্ন প্ৰকাৰে সহায় আগবঢ়োৱা বাবে ধন্যবাদ জ্ঞাপন কৰিছো।

সদৌ শেষত মই মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰিছো আৰু 'গৰিমা'ৰ দীৰ্ঘজীৱন কামনা কৰি মই মোৰ প্ৰতিবেদন সামৰণি মাৰিছো।

জয়তু বেলতলা মহাবিদ্যালয়
জয়তু বেলতলা মহাবিদ্যালয় ছাত্ৰ একতা সভা
জয় আই অসম ।

শ্ৰদ্ধাসহ
**টিংকুমণি তালুকদাৰ**
সভাপতি
বেলতলা মহাবিদ্যালয় ছাত্ৰ একতা সভা। (তদৰ্থ সমিতি)

# সম্পাদক দ্বয়ৰ দু-আষাৰ





প্ৰতি বছৰৰ দৰে এইবাৰো 'গৰিমা' নামৰ আলোচনীখন উলিয়াবলৈ সক্ষম হোৱা বাবে আমি বহুত সুখী হৈছো। তাৰ বাবে আমি প্ৰথমতে যিসকল মহান ব্যক্তিৰ একান্ত চেষ্টাৰ ফলত বৃহত্তৰ বেলতলা অঞ্চলত উচ্চ শিক্ষাৰ কেন্দ্ৰবিন্দু হিচাপে বেলতলা মহাবিদ্যালয় গঢ়লৈ উঠিছে সেইসকল মহান ব্যক্তিলৈ আমি আন্তৰিক শ্ৰদ্ধা জনাইছো।

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্য হৈ আমি দুয়োজনে ছাত্ৰ সমাজৰ সহযোগত তথা শ্ৰদ্ধাৰ শিক্ষক-শিক্ষয়ত্ৰীয়ে দিয়া পৰামৰ্শৰে সেই হেপাঁহবোৰ বাস্তৱতে ৰূপায়িত কৰিবলৈ চেষ্টা হাতত লৈছোঁ। মহাবিদ্যালয়ৰ সপোন স্বৰূপ হৈছে আলোচনীখন। যিখন প্ৰকাশ কৰিবলৈ প্ৰয়োজনীয় কাম হৈছে লেখা সংগ্ৰহ কৰা। সেই সংগ্ৰহ কৰা লেখা সমূহৰ পৰা উপযুক্ত মানৰ লেখাবোৰহে এই আলোচনীত প্ৰকাশ কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলে এই আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত আমাক যথেষ্ট ধৰণে সহায়ৰ হাত আগবঢ়াইছে।

ইয়াৰ বাবে ছাত্ৰ একতা সভাৰ বিভিন্ন কাৰ্যসূচীসমূহ সফলভাৱে উদ্‌যাপন কৰিবলৈ বিভিন্ন সময়ত পৰামৰ্শ আৰু সহায়-সহযোগীতা আগবঢ়োৱা মাননীয় অধ্যক্ষ ড° অজিত বৰকটকী চাৰ, ৰশ্মিৰেখা হাজৰিকা বাইদেউ, পঙ্কজ কুমাৰ কলিতা ছাৰকে আদি কৰি সকলো সন্মানীয় শিক্ষাগুৰুক আন্তৰিক কৃতজ্ঞতা জনাইছো।

**জয়তু জয়তু বেলতলা মহাবিদ্যালয়**

ছাত্ৰ একতা সভাৰ (তদৰ্থ সমিতি)
আলোচনী সম্পাদক
**ধ্ৰুৱজ্যোতি শৰ্মা**

আলোচনী সম্পাদীকা (তদৰ্থ সমিতি)
**অনামিকা কলিতা**

# বেলতলা মহাবিদ্যালয় ছাত্র একতা সভাৰ (তদৰ্থ সমিতি) ২০১৫-১৬ বৰ্ষৰ
# প্ৰতিবেদন

পোন প্ৰথমে আমি বেলতলা মহাবিদ্যালয়ক উচ্চ শিক্ষাৰ কেন্দ্ৰবিন্দু হিচাপে লৈ যি সকল মহান ব্যক্তিয়ে গঢ়দি আগবঢ়াই নিয়াত অশেষ চেষ্টা কৰিছে তেওঁলোকক আমাৰ ফালৰ পৰা আন্তৰিক শ্ৰদ্ধা জনালোঁ।

মহাবিদ্যালয় 'গৰিমা' আলোচনীখন যিসকল ব্যক্তিৰ অশেষ চেষ্টাৰ ফলত আৰু লগতে মহাবিদ্যালয় সমূহ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন লিখনি সমূহ দি 'গৰিমা'খনি প্ৰকাশ কৰাত সহায় কৰিছে সকলোলৈ আমাৰ আন্তৰিক ধন্যবাদ জনালোঁ।

২০১৬-১৭ বৰ্ষৰ নৱ নিৰ্বাচিত বেলতলা মহাবিদ্যালয় ছাত্ৰ একতা সভা সমূহ সদস্যও কৰ্মকৰ্তা সকলক আমাৰ অভিনন্দন আৰু কৃতজ্ঞতা জনালো। সকলোকে আমাৰ ২০১৫-১৬ বৰ্ষৰ তদৰ্থ সমিতিৰ পৰা অনুৰোধ থাকিল মহাবিদ্যালয়ৰ আদৰ্শ অক্ষুন্ন ৰাখিব আৰু আগন্তুক যিবোৰ কাৰ্য্যসূচী আছে সকলোৱে সহায়-সহযোগীতা আগবঢ়াই নিব বুলি আশা ৰাখিলো।

২০১৫-১৬ বৰ্ষ আমাৰ সৌভাগ্যক্ৰমে মহাবিদ্যালয়ত তিনিগৰাকীকৈ অধ্যক্ষ পালো। প্ৰথম ড° দীপালী ওজা বাইদেউ, দ্বিতীয়তে এলিকুমাৰী দাস (ভাৰপ্ৰাপ্ত) বাইদেউ আৰু বৰ্তমান অধ্যক্ষ ড° অজিত বৰকটকী ছাৰ। তিনিও গৰাকীয়ে আমাক বহুতো সহায়ৰ হাত আগবঢ়ালে আৰু বহুতো কাৰ্য্যক্ৰমত আগভাগ লবলৈ দিয়াত যথেষ্ট উপকৃত হলো এই সুযোগকন দিয়া বাবে দুই গৰাকী অধ্যক্ষা বাইদেউ আৰু অধ্যক্ষ বৰকটকী ছাৰক শ্ৰদ্ধাৰে ধন্যবাদ জনালো।

মহাবিদ্যালয়খন উচ্চ স্তৰলৈ লৈ যোৱা আৰু নতুন আশা বতৰাৰ লগতে গৌৰৱ কঢ়িয়াই আনি লেখত লবলগীয়া মহাবিদ্যালয় হ'ব বুলি আমাৰ আশা থাকিল। মহাবিদ্যালয়ত সমূহ ছাত্ৰ-ছাত্ৰী শিক্ষক শিক্ষয়ত্ৰী সম্পৰ্কত ভেদ নাথাকি মহাবিদ্যালয় প্ৰাংগনত এক শান্তিপূৰ্ণ সুন্দৰ আৰু আদৰ্শ মহাবিদ্যালয় হিচাপে পৰিগণিত হওঁক।

২০১৫-১৬ বৰ্ষ বেলতলা মহাবিদ্যালয়ৰ তদৰ্থ সমিতিৰ সদস্য পদত যোগ্য হিচাপে কাৰ্য-নিৰ্বাহ কৰিবলৈ সুযোগ দিয়াত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বৰ্গক অন্তৰৰপৰা ধন্যবাদ জনালো আৰু লগতে মহাবিদ্যালয় শিক্ষা গুৰুসকলে বহুতো সহায়-সহযোগিতা আগবঢ়াইছিল, এই মুহূৰ্তত তেখেতসকললৈয়ো আন্তৰিকতাৰে ধন্যবাদ জনালো।

বেলতলা মহাবিদ্যালয় বাৰ্ষিক আলোচনী 'গৰিমা'ৰ যুতিয়া সম্পাদক ধ্ৰুৱজ্যোতি শৰ্ম্মা আৰু অনামিকা কলিতা লগতে আলোচনী বিভাগৰ সমূহ কৰ্ম-কৰ্তালৈ আন্তৰিক অভিনন্দন ও ধন্যবাদ জনালোঁ।

*জয়তু জয়তু বেলতলা মহাবিদ্যালয়*

তদৰ্থ সমিতিৰ সদস্যৰ হৈ

**যতীন গগৈ**

# অসমীয়া বিভাগ

# শংকৰদেৱৰ ৰাসলীলা বৰ্ণন এটি আলোচনা

— মৃগেন্দ্ৰ নাথ শৰ্মা
মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ



মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্মীয় আদৰ্শ হ'ল পুৰাণ প্ৰসিদ্ধ শ্ৰীকৃষ্ণ। শ্ৰীকৃষ্ণ কেন্দ্ৰিক আদৰ্শ প্ৰতিষ্ঠা কৰি নৱ বৈষ্ণৱ ধৰ্ম জনসাধাৰণৰ মাজত প্ৰচাৰ কৰাটোৱে তেওঁৰ সৃষ্টিৰাজিৰ অন্যতম প্ৰধান উদ্দেশ্য। তেওঁৰ কাব্য-কৃতিৰ মাজেদি কৃষ্ণৰ লীলা মাহাত্ম্য জনসমাজত প্ৰচাৰ কৰি বৈষ্ণৱ ধৰ্মৰ প্ৰতি লোকমন আকৰ্ষিত কৰিছিল। মহাপুৰুষজনাৰ বিশাল সৃষ্টিৰাজিৰ ভিতৰত ৰাসলীলা বৰ্ণন অন্যতম। তেওঁ ৰাসলীলাৰ যোগেদি শ্ৰীকৃষ্ণতত্ত্বকে প্ৰদৰ্শন কৰিছে। ভগবান শ্ৰীকৃষ্ণৰ 'হৰিবংশ' আদিত পোৱা যায়। শংকৰদেৱে 'ভাগৱত'ৰ 'ৰাসপঞ্চাধ্যায়' অনুবাদ কৰাৰ লগতে 'কীৰ্তন পুথিত 'ৰাসক্ৰীড়া' খণ্ড আৰু 'কেলিগোপাল' নামে অংকীয়া নাট ৰচনা কৰিছে। ইয়াৰ পৰা বুজিব পাৰি যে শংকৰদেৱে 'ভাগৱত' পুৰাণ বৰ্ণিত ৰাসলীলাৰ প্ৰতি অধিক গুৰুত্ব আৰোপ কৰিছিল। ৰাসলীলাত একশৰণ তত্ত্ব প্ৰকাশৰ বাবে তেওঁ ভক্তিৰস সঞ্চাৰ কৰি মানৱ সমাজক শ্ৰীকৃষ্ণৰ পদ পঙ্কজত শৰণাপন্ন হোৱাৰ কথা কৈছে। ৰাসলীলাত কাম-কেলি বিষয়ক বৰ্ণনাৰে সম্ভোগ শৃংগাৰ ৰস প্ৰকাশিত হ'লেও শংকৰদেৱে এনে ৰচনাক গুৰুত্বসহকাৰে বৰ্ণনা কৰাৰ মূলতে ভক্ত কবিৰ এক মহৎ উদ্দেশ্য নিহিত হৈ আছে। ৰাসলীলাৰ কাম-ক্ৰীড়াৰ বৰ্ণনা যে প্ৰকৃততে সাধাৰণ পাৰ্থিৱ সম্ভোগৰ বৰ্ণনা নহয় সেই কথা তেওঁ পাতনিতে বুজাই দিছে-

"শুনিয়োক বুধজন জনম সাফলি।
কামজয় নামে ইটো কেশৱৰ কেলি।।" (দশম)

শংকৰদেৱে 'দশম'ৰ 'ৰাসলীলা'ৰ অধ্যায় কেইটাৰ শাৰদীয় পূৰ্ণিমা ৰাতি বৃন্দাবনত শ্ৰীকৃষ্ণ গোপীসকলৰ লগত কৰা ৰাসক্ৰীয়াৰ সাৱলীল বৰ্ণনা দাঙি ধৰিছে। যোগমায়াৰ সহযোগত কৃষ্ণই গোপীসকলৰ লগত কৰা এই ৰাসক্ৰীড়াৰ বৰ্ণনাত সাধাৰণ দৃষ্টিৰে শৃঙ্গাৰ ৰসৰ সমাবেশ ঘটোৱা যেন লাগে। কিন্তু মহাপুৰুষজনাৰ উদ্দেশ্য সাধাৰণ ৰতি ক্ৰীড়া বৰ্ণনা নহয়। ভক্তি কবিয়ে দেখুৱাব বিচাৰিছে যে জীৱ বিলাকে বিশুদ্ধ হৈ আনন্দময় পৰম ব্ৰহ্মৰ আলিঙ্গন লাভ কৰিব পাৰিলেই শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ ৰাসমণ্ডলৰ সহচৰ হ'ব পাৰে। ভগৱানৰ এই লীলাই হৈছে ৰাসক্ৰীড়া। ইয়াত ক্ৰীড়া নাই, ফলহে আছে; কামনা নাই তৃপ্তী আছে; সম্ভোগ নাই আনন্দ আছে। এই লীলাৰ বৰ্ণনা দিবলৈ পাৰ্থিৱ শৃংগাৰ ৰসৰ আশ্ৰয় ল'ব লগা হৈছে। (লক্ষ্মীনাথ বেজবৰুৱা, তত্ত্ব কথা, পৃ-৩৯)। শংকৰদেৱে ভক্ত জনগনক ঈশ্বৰভিমুখী কৰি আধ্যাত্মিক চিন্তা-চেতনাৰে সমাজ গঢ়িবলৈ শৃংগাৰ ৰসৰ শিক্ষাৰ মাধ্যম কৰি লৈছিল। শংকৰদেৱৰ ৰাসক্ৰীড়া, হৰমোহন, কেলিগোপাল আদি শৃংগাৰ ৰসাত্মক ৰচনা হ'লেও তাৰ মাজেদি জনগনক ঈশ্বৰাভিমুখী কৰাৰ উপৰিও এক কল্যাণকামী চেতনাহে মূৰ্ত হৈ আছে। (প্ৰহলাদ কুমাৰ বৰুৱা, চিন্তাৰ আভাস, পৃ-২৯)।

ৰাসলীলাত বৰ্ণিত গোপীসকল সাধাৰণ নাৰী বা শ্ৰীকৃষ্ণ এজন সাধাৰণ প্ৰেমিক নহয়। গোপীগন হৈছে শ্ৰীকৃষ্ণৰ আশিস ধন্য পৰমভক্ত। ভক্ত আৰু ভগৱানৰ এই লীলাই হৈছে

ৰাসলীলা। ভক্ত ভগৱানৰ এই লীলাৰ মাজত পাৰ্থিৱ শংগাৰ ৰস আৱৰণহে মাত্ৰ। ভগৱান শ্ৰীকৃষ্ণ সমগ্ৰ ঐশী সম্পদ, যশস্যা, বীৰ্য, শ্ৰী মহানুভৱতাৰে পৰিপূৰ্ণ। গতিকে তেওঁ সাধাৰণ লোকৰ দৰে কামনা-বাসনা, ভোগ বা কোনো ইপ্সিত বস্তুৰ প্ৰতি আগ্ৰহ নাই। গীতাত কোৱা হৈছে-

"মম যোনিৰ্মহদ ব্ৰহ্ম তস্মিন গৰ্ভং দধাম্যহম।
সম্ভৱঃ সৰ্ব ভূতানাং ততো ভৱতি ভাৰত।।"

ইয়াৰ অৰ্থ এয়ে যে প্ৰকৃতি হ'ল ভগৱানৰ গৰ্ভ ধাৰণৰ স্থান, তাত তেওঁ চিদ্ বীৰ্য নিক্ষেপ কৰি সকলো ভূতৰ উৎপত্তি কৰে। জগত ঈশ্বৰৰ এই লীলাৰ মাজত সৃষ্টিৰ আদি কাৰণ থকাৰ বাবে ইয়াক আদি ৰস বোলা হয়। ইয়াৰ ইন্দ্ৰিয় তৃপ্তীৰ ইচ্ছা নাই, নাই কেনো অশ্লীলতা। (লক্ষ্মীনাথ বেজবৰুৱা, পূৰ্বোক্ত গ্ৰন্থ, পৃ-৩৮, ৩৯) তদ্ৰুপ ৰাসক্ৰীড়াতো ভগৱান শ্ৰীকৃষ্ণই কামজয় প্ৰদৰ্শন কৰিবৰ বাবেই গোপীসকলক বৈ লীলা কৰিছিল। এয়াই হৈছে ৰাসলীলাৰ তত্ত্ব কথা। ইয়াত লৌকিক আদিৰস বা শৃংগাৰ ৰসৰ অশ্লীলতা নাই। শংকৰদেৱেও শৃংগাৰ ৰসক আৱৰণ হিচাপে লৈ ৰাসক্ৰীড়াৰ শ্ৰৱন-কীৰ্তনৰ যোগেদি ভগৱান শ্ৰীকৃষ্ণৰ সান্নিধ্য লাভ কৰিব পাৰে বুলি কৈছে-

'যিটো ভকতৰ আছয় শৃংগাৰ
ৰসত সততে ৰতি।
ইয়াৰ শ্ৰৱণ কীৰ্তণে হুইবেক
তাহাৰো নিৰ্মল মতি।' (দশম)

যোগমায়াক আশ্ৰয় কৰি ভগৱান শ্ৰীকৃষ্ণই বিহাৰ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰাৰ কথা ভাগৱতত উল্লেখ পোৱা যায়। শ্ৰীকৃষ্ণই ৰাসক্ৰীড়াৰ সময়ত যিসকল গোপীৰ সৈতে বৃন্দাৱনত ৰাসক্ৰীড়া কৰিলে সেইসকল গোপীয়ে কিন্তু



তেওঁলোকৰ পতি-পুত্ৰদিৰ সৈতে সেই সময়ত ঘৰতে শুই আছিল। অন্যহাতে যশোদাইও কৃষ্ণক তেওঁৰ কাষতে শুই থকা অৱস্থাত পাইছিল। মায়াৰ বলেৰে কৃষ্ণই গোপীসকলৰ লগত এই ৰাসক্ৰীড়া কৰে। ভাগৱতৰ প্ৰসিদ্ধ টীকাকাৰ শ্ৰীধৰ স্বামীয়ে কৈছে যে যোগমায়া শ্ৰীকৃষ্ণ নিজেই। তেওঁ আত্মাৰাম হৈয়ো ৰমন কৰিলে। দৰাচলতে পূৰ্ণ ব্ৰহ্ম, পৰম ব্ৰহ্মাৰ কোনো কাৰ্যসিদ্ধিৰ বাবে আনৰ প্ৰয়োজন নহয়। জীৱ বিলাক হৈছে এই পৰম ব্ৰহ্মাৰ অংশ বিশেষ। জীৱ-জগতৰ প্ৰতিটো উপাদানৰ সৈতে ভগবানে লীলা খেলা কৰে। স্বৰূপাৰ্থত ৰাসলীলা জীৱাত্মাৰ সৈতে পৰমাত্মা শ্ৰীকৃষ্ণৰ লীলা মাথোন। গোপীসকলে পাৰ্থিৱ দেহ লৈ পাৰ্থিৱ পতিসকলক কাষতে পালেও ইয়াত সংশয়ৰ কোনো কাৰণ নাই। আধ্যাত্মিক দৃষ্টিৰে চালে বৃন্দাবনৰ গোপীসকল মায়াত আসক্ত ভক্তৰ প্ৰতীক, শ্ৰীকৃষ্ণ হ'ল মায়ামুক্ত পৰম ব্ৰহ্ম। গোপী সকলৰ প্ৰতি, পুত্ৰ, পৰিয়ালবৰ্গ আদি মায়াৰ আভৰণ যি অনিত্য, অসাৰ আৰু



অস্থায়ী। শংকৰদেৱে দেখুৱাইছে যে মায়াক জয় কৰি শ্ৰীকৃষ্ণৰ ওচৰত শৰণাপন্ন হোৱাটোৱেই একশৰণ তত্ত্বৰ মূল কথা—

"গোপী গোপালৰ কাম কেলি ইটো
শুনৈ ভনৈ যিটো জনে।
কামকো জিনিবে অল্পতে বাঢ়িবে
ভকতি কৃষ্ণ চৰণে।" (দশম)

বাহ্যিক দিশৰ পৰা ৰাসক্ৰীড়াৰ কাৰ্যৱলী শৃংগাৰ ৰসাত্মক যদিও শৃংগাৰ ৰসৰ মাজেদি মানুহৰ মন যাতে কৃষ্ণ ভক্তিৰ ফালে ধাবিত হয় সেই বিষয়ে শংকৰদেৱে তেওঁৰ ৰচনাৰ মাজত একাধিকবাৰ বৰ্ণনা কৰিছে। স্বৰূপাৰ্থত ভগৱান কৃষ্ণ পূৰ্ণকাম— তেওঁ কামনা বাসনাৰ অতীত। ভগৱান সদায় ভক্তৰ অধীন সেয়ে ভকাত গোপীসকলৰ মনোবাঞ্ছা পুৰণৰ বাবে ৰাসক্ৰীড়াৰে কামজয় কৰি ভক্ত আৰু ভগৱানৰ মিলন দেখুওৱা হৈছে। শংকৰদেৱে 'কেলিগোপাল' নাটত সূত্ৰধাৰৰ যোগেদি কৈছে— "ভাগ্যৱতী গোপীসব মহোদয় পাৱল। আহে লোকাই, পেখো, পৰম অনাচাৰী গোপনাৰী কামভাবে হৰিগুন গাই পৰম গতি পাৱল। হৰি ভকতিৰ ঐচন মহিমা ঃ আচাৰী, অনাচাৰী বাছয়ে নাহি।"

ভাগবতত আছে যে দুষ্টক দমন কৰা সন্তজনক পালন কৰা ভগবান কৃষ্ণই গোপনাৰীৰ লগত ৰমন কৰি কিয় পাপ আচৰণ কৰিলে—ৰজা পৰীক্ষিতে প্ৰশ্ন কৰাত শুকদেৱে এনে সন্দেহ ভাঙি ক'লে যে পৰনাৰী সংগ অকল কৃষ্ণই নহয় ব্ৰহ্মা, চন্দ্ৰ, ইন্দ্ৰ, বিশ্বামিত্ৰ আদিৰো হৈছে, কিন্তু তেওঁলোকৰ কোনো অন্যায় হোৱা নাই। অজ্ঞানী আৰু অহংকাৰীজনে পৰনাৰী গমন কৰিলে পাপ নিশ্চত হ'ব। মহাদেৱে বিষ খাই নীলকণ্ঠ হ'ল, তাকে দেখি আনে বিষ খালে নিশ্চয় মৃত্যু মুখত পৰিব। গতিকে কৃষ্ণ পৰম পুৰুষ জগতৰ ঈশ্বৰ তেওঁৰ পৰনাৰী গমনে তেওঁৰ একো ক্ষতি কৰিব নোৱাৰে। শৃংগাৰ ৰস প্ৰধান ৰাসক্ৰীড়াৰ কাহিনীৰ জৰিয়তে ভক্তগন যদি ঈশ্বৰৰ প্ৰতি ধাবিত হ'ব পাৰে তেন্তে মানৱৰ কল্যান নিশ্চয় হ'ব। শংকৰদেৱে 'কীৰ্তন'ত কৈছে-

"বিষ বুলি অমৃতক পিলে যিটো নৰ।<br>
নুহিবেক হেন জানা অজৰ অমৰ।।<br>
যেন তেন মতে মাত্ৰ স্মৰোক সততে।<br>
এতেকে মুকুতি পাৱে কহিলোঁ বেকত।।"

শংকৰদেৱে 'ভাগৱত'ৰ দশম স্কন্ধ আৰু 'কীৰ্তন'ৰ ৰাসলীলা বৰ্ণনাত কাব্যিকতাৰ লগতে কল্পনাৰ প্ৰাচুৰ্যও মন কৰিবলগীয়া। মূলৰ অনুবাদ হ'লেও স্থান বিশেষে কবিয়ে মূলৰ পৰা আঁতৰি আহি স্বকীয়তাৰে কবি প্ৰতিভা দাঙি ধৰিছে। বিশেষকৈ দশমৰ আৰম্ভণিতে থকা 'কামজয় নামে ইটো কেশৱৰ কেলি' বুলি ভাগৱতত উল্লেখ নাই। তদুপৰি বৰ্ণনাৰ মাধুৰ্য, চিত্ৰৰ সৌন্দৰ্য আৰু আৰু ভাৱৰ গাম্ভীৰ্যই ৰাসলীলাৰ বিষয়বস্তুক অধিক মনোগ্ৰাহী কৰি তুলিছে। কবিয়ে বৰ্ণনাৰ মাজে মাজে - কৰুণ, হাস্য আৰু শৃংগাৰ ৰসৰ সমাবেশ ঘটাই বৰ্ণনায় বিষয়ক অধিক আকৰ্ষণীয় কৰি তুলিছে। শৰতৰ জোনাক নিশা কৰা ৰাসক্ৰীড়াৰ সময়ত প্ৰকৃতিৰ এক মনোৰম চিত্ৰ দাঙি ধৰিছে-

"অসংখ্য কোকিলে কুহু কুহু নাদ কৰে।<br>
মধুময় ভ্ৰমৰে গুঞ্জৰে নিৰন্তৰে।<br>
হেন বিতোপন বৃন্দাবনে পশি হৰি।<br>
ভ্ৰমন্ত গোপীনী সঙ্গে ৰঙ্গে ক্ৰীড়া কৰি।।" (দশম)

শংকৰদেৱৰ ৰাসক্ৰীড়াৰ ৰস বিচাৰৰ ক্ষেত্ৰতো দেখা যায় ইয়াত সৰ্ব ৰস ভক্তি ৰসত বিলীন হৈছে। সম্ভোগ আৰু বিপ্ৰলম্ভ শৃংগাৰ ৰসৰ পূৰ্ণ পয়োভৰ ঘটিলেও পৰিশেষত সেই ৰস ৰূপান্তৰিত হৈছে ভক্তি ৰসলৈ। ৰাসক্ৰীড়াত মুক্ত যৌন বৰ্ণনা থাকিলেও সি কলাৰ শাৰীত ৰসোতীৰ্ন হৈ অশ্লীতাৰ পৰা শ্লীলতালৈ গতি কৰি সৰ্বজনগ্ৰাহ্য এক মহৎ সাহিত্যৰ শাৰীলৈ উন্নীত হৈছে। তেওঁৰ কবি প্ৰতিভাৰ গুণতে ৰাসক্ৰীড়াৰ বৰ্ণনা এক ৰসোত্তীৰ্ণ শিল্পকৰ্মৰূপে জনসমাজত পৰিগণিত হৈ আহিছে।



# हिन्दी विभाग

# भूमण्डलीकरण




**दिवज्योति डेका**
विभागाध्यक्ष हिन्दी विभाग

भूमण्डलीयकरण, वैश्वीकरण अथवा उदारवाद, उस आर्थिक या व्यावसायिक नीति का नाम है, जो विश्व को एक मुक्त वाणिज्य परिसर में बाँधना चाहती है। बीसवीं सदी के अंतिम समय में विश्व के उन्नत देशों में इस विषय पर काफी चर्चा हुई। उन्नत और विकासशील देशों में इसे लेकर मतभेद भी रहा। पर इन मतभेदों के बावजूत सन् 1986 में मुक्त वाणिच्य परिसर के लिए 'ऊरुगुवे राउण्ड' नाम से एक प्रस्ताव गृहीत किया गया। लेकिन इसके बाद भी प्राय: आठ वर्षों तक इस पर विवाद चलता रहा। आठ वर्षों के बाद इस मुक्त वाणिज्य को खोलने के लिए सन् 1994 में 125 राष्ट्रों ने 'मरक्को' के माराकेछ नगर में अन्तराष्ट्रीय वाणिज्य शुल्कों को घटाने के लिए एक प्रपत्र पर हस्क्षार किया। यही व्यवसायिक क्षेत्र में भूमण्डलीकरण के नाम से जाना गया। भारतीय संस्कृति के लिए भूमण्डलीकरण या वैश्वीकरण प्राचीन आदर्श 'वसुंधैय कुटुम्बकम्' का नवीनतम संस्करण है। अन्तर मात्र यह है कि 'वसुंधैत कुटुम्बकम्' में भावना का मूल मंत्र था, और भूमण्डलीकरण तथा वैश्वीरकरण में तकनीकी विचारों का यांत्रिक विधान निहित है। तथ्यात्मक दृष्टि से भारत में इस नीति की शुरुआत सन् 1999 में हुआ। यहाँ इस नीति का उद्देश्य था कि विदेशी सामग्री देशी बाजार में प्रवेश कर सके, वाणिज्य के साथ परिवेश का भी पूरा ध्यान रखा जाए तथा वाणिज्य से जुड़े मजदूरों के स्वार्थों को उचित मान दिया जाए। पर इक्कीसवीं सदी में आकर यह भूमण्डलीकरण सिर्फ व्यापार-वाणिज्य में ही सीमित न रह कर समस्त विचारधारा, राजनीति, कुटनीति, समाजनीति, कला-संस्कृति, साहित्य तथा आतंकवाद आदि सब में व्याप्त हो गया है। अत: आज के समय में भूमण्डलीकरण को परिभाषित करने के लिए यह कहना आवश्यक होगा कि विचारों का मुक्त आदान-प्रदान, चाहे वह हितकारक हो या हानिकारक भूमण्डलीकरण है। तकनीकी प्रगति, इंटरनेट, उपग्रहों की सहायता से संपर्क की सुविधा तथा विश्य में दूरियों का घटना भूमण्डलीकरण को निरन्तर सहायता पहूँचा रहे हैं।

भूमण्डलीकरण का समर्थन और विरोध अपनी गति में चलते रहे हैं। हिन्दी साहित्य के प्रगतिशील धारा में ज्यादातर इसका विरोध ही दिखाई पड़ता है। पश्चिम के अनेक बचे हुए मार्क्सवादी इसका विरोध करते हुए इसे एक षड़यंत्र की तरह पढ़ते है। वे ऐसा मानते हैं कि यह एक एसा उपनिवेशीकरण है जहाँ सिर्फ पूँजीपतियों का स्वार्थ ही निहित है। ''सोशलिस्ट रजिस्टर 2000 का ग्लोबलाइजेशन का विशेषांक, इंटरनेशनल इकॉनामिक एण्ड पोसिबल गवर्नेंस 1997, क्रेसनर की कंप्रोमाजिंग वेस्टफेलिया: इंटरनेशनल सिक्युरिटी 1992, क्रुगमान की ग्रोइंग वर्ल्ड ट्रेड : कॉजेड एंड कंसीक्वेशन 1994'' आदि कुछ ऐसे ही आलोचनात्म विचार हैं।

संशयवादी विचारक मानते हैं कि भूमण्डलीकरण एक 'मिथ' हैं। वे अर्थशास्त्रपरक तर्क देकर कहते हैं कि बाजार पहले से ही एक-दूसरे से बँधा है। इनका कहना है कि यह भूमण्डलीकरण जिस तरह से आर्थिक अन्तर्गठन करता है वह पुराने के मुकाबले हीनतर है। भूमण्डल का यह अन्तर्गठन पुराने-उन्नीसवीं सदी के स्वर्णमानकवादी काल के कमतर है। इसी तरह आलोचकों का दूसरा तर्क यह है कि भूमण्डलीकरण में समाज व्यवस्थाओं के राज्य-केन्द्रण में क्षरण नहीं हुआ है।

अंतराष्ट्रीय दबावों के ओग राष्ट्रीय सरकारें गतिहीन होने की जगह और अधिक नियमत करने वाली तथा सीमाओं के पार व्यापार को नियमित करने वाली हो गई है। ''कैलिनिकॉस अंतराष्ट्रीय व्यापार को तथा विदेशी पूँजी को पश्चिमी साम्राज्यवाद का तरीका मानते हैं, जिसमें राष्ट्रीय सरकारों अपने यहाँ के इजारेदारों के प्रतिनिधि के रूप में शामिल होती है।''[2] भूमण्डलीकरण के विरोध में तीसरा तर्क यह है कि तीसरी दुनिया के देशों का हाशियाकरण बढ़ रहा है। जो भी व्यापार बढ़ रहा है उसका बहुत बड़ा हिस्सा उत्तरी समूह में आपस में ही होता है। दक्षिणी समूह को ज्यादा नहीं मिलता। ज्यादातर विदेशी निवेशों का केन्द्र पश्चिमी देश है। इससे दुनिया में गरीबी और अमीरी का नया विभाजन पैदा हो रहा है। भूमण्डलीकरण के आलोचक इस तर्क को आगे बढ़ाकर कहते हैं कि यह आर्थिक स्थिति तत्ववाद और आक्रामक राष्ट्रवाद को बढ़ाती है। इससे भी सिद्ध होता है कि कोई ग्लोबल सभ्यता नहीं बन रही है बल्कि दुनिया सभ्यता मूलक समूहों में और सांस्कृतिक जातीय समूहों में बँटती जा रही है।

इन विरोधों के साथ ही उन विद्वानों के तर्क भी महत्वपूर्ण है जो भूमण्डलीकरण के रूपान्तरणकारी तत्व के पक्षधर हैं। इसमें ''गिडिंस, शौंल्टे, कास्टेल, रोजनी, लिंकलेटर, मैकमिलन''[3] आदि प्रमुख हैं। इनका मानना है कि आज की सबसे बड़ी चालक शक्ति भूमण्डलीकरण है। यही तमान आधुकि समाजों को गति देता है और नई विश्व व्यवस्था को बनाता है। राजनीतिक, सामाजिक, सांस्कृतिक क्षेत्र बढ़ रहा है। ये नये सीमांत हैं जिनसे समाजों का भाग्य तय होता है। ''नीरोप का मानना है कि दुनिया-भर के देश पूरी तरह न सही तो अंशतः उनके समाज और भूगोल एक न एक माने में भूमण्डलीकरण प्रक्रिया के अंग है। भले ही एक विश्य समाज न बना हो, लेकिन सब एक दूसरे से ज्यादा घनीभूत ढंग से जुड़े हैं और अंतर्निर्भरता बढ़ी है। इसका नतीजा यह है कि पुराना चला आता नॉर्थ-साउथ विभाजन अब नये अंतराष्ट्रीय श्रम विभाजन को जन्म दे रहा है। पहली दुनिया और तीसरी दुनिया अब नहीं बची हैं। वे दुनिया की तमान बड़े नगरों-महानगरों के घोंसले बन गई हैं, वे गूँथ-सिल दी गई हैं।''[4]

भूमण्डलीकरण के समर्थन में यह भी कहा जाता है कि यह आर्थिक वि-सीमाकरण का परिणाम है। उत्पादन और वित्तीय व्यवस्थाएँ एक-दूसरे में अंतर्गथित हो रही हैं। वह राष्ट्रोपरि हो चला है। देशों का राष्ट्रीय आर्थिक स्पेस उनके राष्ट्रीय सीमान्तों से मेल नहीं खाता। भूमण्डलीकरण दरअसल सत्ता और उसके कार्यों में तब्दीलियाँ ला रहा है। वित्तीय से लेकर पर्यावरणीय संस्थाएँ एक-दूसरे समुदाय को एक-दूसरे से अपने आप जोड़ रही हैं। इस प्रकार यह प्रक्रिया सार्वभौमिक सीमान्तता तथा राज्य सत्ता के बीच के बन्धनों को खोल रही है। डेविड हैल्ड कहते हैं कि यद्यापि ज्यादातर भूमण्डलीकरण पूँजीवाद या बाजार से जोड़कर ही देखा जाता है और इसकी आलोचना की जाती है, लेकिन एसी आलोचना यात्रिकी यानी दो-दूनी-चार वादी नजर आती है। यह प्रक्रिया न उतनी इकहरी है, न सरल। इसके पीछे आर्थिक सांस्कृतिक राजनीतिक शक्तियाँ काम करती रहती हैं।

इस प्रकार हम देखते हैं कि भूमण्डलीकरण एसी दुधारी तलवार है जिसके साथ अच्छी और बूरी दोनों परिस्थतियाँ जुड़ी हुई हैं। यह बात सही है कि उन्नत राष्ट्रों के लिए ये अनुकूल हैं। पर यह भी सत्त्य हैं कि इसके कारण जो प्रतियोगिता सामने आयी है, उसमें अपने आप को खड़ा रखने के लिए उन्नयनशील राष्ट्र जी-तोड़ मेहनत भी कर रहे हैं। इस प्रक्रिया में हो सकता है उन्ननशील राष्ट्र उन्नति के शिखर तक पहुँच जायें।

**सन्दर्भ**

*1. भूमण्डलीयकरण और उत्तर-संस्कृति विमर्श, सुधीर पचौरी 2003, पृ 8-9*
*2. वही, पृ - 9*
*3. वही, पृ - 9-10*
*4. वही, पृ - 9-10*

# কবিতা বিভাগ

# বন্দী

নিতামণি ডেকা
স্নাতক, তৃতীয় ষাণ্মাসিক

বন্দী আজি সমগ্র মানৱ
হিংসা বিদ্বেষপূৰ্ণ এই পৃথিৱীত
নাই আজি অহিংসা নীতি
নাই আজি মহাত্মাৰ মাহাত্ম্য।

জাতি বৰ্ণ একতাৰ বন্ধন ছিঙি
হত্যা লুণ্ঠন সন্ত্ৰাসত।

বন্দী আজি সমগ্ৰ মানুহ
অনাচাৰ অত্যাচাৰ ধৰ্ষণৰ জয়গান
বাজিছে জীৱশ্ৰেষ্ঠ মানুহৰ হিয়াত।

বিংশ শতিকাৰ নৱতম সৃষ্টিত
চৌদিশে বিয়পিছে নিকৃষ্ট কৃষ্টি।

দয়া-মমতাহীন সংকতাপন্ন কাৰাগাৰত
বন্দী আজি সমগ্ৰ মানৱ।

বন্ধুক-বাৰুদ বোমাতঙ্কত
ক্ষত-বিক্ষত আজি মানৱ হৃদয়।

দুৰু-দুৰুকৈ কঁপিছে আজি
অকণি শিশুৰ কোমল হিয়া।।



# এটি মিঠা যন্ত্ৰণা

কৰিস্মা দাস
স্নাতক, প্ৰথম ষাণ্মাসিক

এদিন যাৰ বাবে মই আনন্দত বিভোৰ হৈছিলো
সেয়া মোৰ যন্ত্ৰণাৰ কাৰণ হৈ পৰিল।
এচমকা বগা ডাৱৰ উঠিছিল।
ভৰ যৌৱনত ভৰি দিয়া
উঠন গাভৰুৰ দৰে-
ঋতুসমূহে আনিছিল সুগন্ধি সুবাস
বুটলি ল'বলৈ দুখৰ যন্ত্ৰণা।
জৰ্জৰিত যন্ত্ৰণাৰে-
গান গোৱা কথা কোৱা চৰাইৰ দৰে
সাৰ পালো দিঠকত,
নিজ ভংগী প্ৰতি খোজে খোজে
বাট চালো মই পূজাৰ অৰ্ঘলৈ
জীৱনৰ সন্ধিক্ষণত।



# অনুভৱ

অংকুৰ কলিতা
স্নাতক, প্ৰথম ষাণ্মাসিক


পোহ নামানি
উৰি যোৱা চৰাই জনীক
সজাত বন্দী কৰি
কি লাভ হ'ব
যেনেকৈ
কথা নুবুজা মানুহক
কথাকৈ লাভ নাই
তাতকৈ
বুকুৰ কথাবোৰ
বুকুতে থাকক
নিৰৱে নিটালে... ।।



# এখন আকাশ আৰু এটি চৰাই

প্ৰতিভা গৈয়াৰী
স্নাতক, প্ৰথম ষাণ্মাসিক

তুমি হ'বা আকাশ
মই হ'ম এটি উৰণিয়া চৰাই
তোমাৰ বিশাল আকাশখনত
উৰি গৈ খুমামহি মই
জুখিম তোমাৰ মৰম বিশালতা
জুখিম তোমাৰ প্ৰেমৰ গভিৰতা
এটি মিঠা হাঁহিৰে সুধিবা
তুমি মোক... পাৰিলা নে?
জুখিব মৰমৰ বিসালতা
আৰু প্ৰেমৰ গভিৰতা মোৰ?
নোৱাৰো জুখিব তোমাক
তোমাৰ মৰম ভালপোৱা
মোৰ মা....
থিক আকাশখনৰ দৰে
সেই বাবেইতো মা...
তুমি হ'বা আকাশ
মই হ'ম এটি উৰণিয়া চৰাই।





# অতীতৰ স্মৃতি

মিনাক্ষী নাথ
স্নাতক, প্ৰথম ষাণ্মাসিক

মনত পৰেনে অতীতৰ
সেই স্মৃতিবোৰ,
ক'ত হেৰাই গ'ল মধুৰ
সেই দিনবোৰ।।
ক'ত আঁতৰি গ'ল চকুত
সপোন দেখুৱাই,
আশাৰ বালিঘৰ যেন গ'ল
নিমিষতে হেৰাই।।
বতাহ-ধুমুহা আহি লৈ গ'ল
সপোনবোৰ ভাঙি,
মৰম ভালপোৱা আঁতৰাই
চকুত দি গ'লা চকুপানী।।
সময়ৰ লগতে তুমিও হৈ গ'লা
মোৰ বাবে অচিনাকী,
তথাপিও আজিও আছো
তোমাৰ বাবে আশাপালি।।
পৰিবনে মনত তোমাৰ
অতীতৰ সেই দিনবোৰলৈ
আহিবানে উভতি আকৌ
এবাৰ মোৰ জীৱনলৈ।।




## My Mother

**– Biswajit Das**
B.A. Semester - I
Major in English

Oh! My dear mother
I love you more than others!
You have filled up my life
With colour of joys.
You desire my happiness
In your eyes!
You left no stone unturned
To build my future bright,
No, its my turn to return
Smile and delight.
When I remember you
My tears come down
Rolling down my eyes
My heart is like an
Unlighted candle
Without your blessings!
Oh! My dear mother
I miss you more than others!





## Teacher

**–Manjit Phangsha**
B.A. Semester - I
Major in English

It takes a special person
To teach a child in class.
To just keep his attention
In a world that moves so fast.
To show a child he is unique
With talents deep inside,
To help to build his confidence
So he can beam with pride.
To inspire and to motivate
So a child can grow,
To go into the big wide world
That has its laws.
You are a special person
You always give your best
And for every child who has your class
Their life is truly blessed!

# ইংৰাজী বিভাগ

# Heritage of Religious Sites in Guwahati City


**Nitish Nath**
B.A. Semester - V (Major in History)

**Abstract :** Heritages are features belonging to the culture of a particular society, such as traditions, languages, or buildings, that were created in the past and still have historical importance. They are legacies which reminds us of who we were and towards what direction we are progressing.

The most prominent among cultural heritages are ancient religious sites and sculptures. They are considered to be indicative of a community's boarder cultural heritage. Due to their significance to the community, as well as their artistic, historical, scientific and anthropological importance, religious site make up a considerable part of national or local heritage lists.

Our Own Guwahati city can boast of innumerable such sites with which our prides and reverence are related to. A few such religious sites with the heritages they have bestowed upon us are discussed further.

**KamakhyaTemple :** On the mention of Guwahati city, the foremost religious site that comes to mind is the shrine of Goddess Shakti, Maa Kamakhya temple. It is situated on the Nilachal Hill, near Maligaon, It is one of the oldest of the 51 Shakti Pithas in India. It is the main temple in a complex of individual temples dedicated to the ten aspects of Devi Parvati or Shakti.




Origin of the temple is obscure. The first epigraphic notice of Kamakhya is found in the 9th century Tezpur plates of Vanamalavarmadeva of the Mlechchha dynasty. Legends states that Vatsyayana, a Vedic Sage suggest the worship of tantric goddess Tara to the "tribals" that spread towards the eastern Himalayan belt till the Garo Hills where they worshipped a fertility 'yoni' goddess 'Kameke'.

According to the KalikaPurana, Kamakhya Temple denotes the spot where Sati's "yoni" fell after Shiva danced with her corpse. It further states that, Narakasur build a temple atop the hill Nilachal to appease goddess Kamakhya

along with a huge tank and constructed a road to the temple in a single night. On the other hand, Yogini Tantra associates Kamakhya with goddess Kali and emphasizes the creative symbolism of the "yoni" which is also applicable to the world Kamarupa, the ancient name of Assam.


Being the centre for Tantra worship, this temple attracts thousands of tantric devotees in the annual festival of Ambubachi Mela. Manasha Puja and Durga Puja are also celebrated annually with huge attractions.

**Basistha Ashram:** Basistha temple, located a few kilometres south of Beltola Chariali, is a Shiva Mandir constructed by Ahom King Rajeswar Singha in 1764. The history of the Basistha Ashram where the temple is located dates back to the Vedic age. According to legend, the ashram was founded by the great saint Vasistha. He is believed to have released his last breath here. The cave in which he is believed to have meditated is located 5 km inside the ashram. A waterfall glorifies the beauty of such a splendid serene atmosphere.



The temple in the ashram stands on the bank of the mountain streams' tri-juncture of Sandhya, Lalita and Kanta, originating from the hills of Meghalaya, which becomes the rivers Basistha and Bahini/Bharalu flowing through the city.

**Navagraha Devalaya :** The Navagraha Temple is found on the top of Chitrasal Hill (or Navagraha Hill). Navagraha temples are devoted to Navagraha- the major celestial bodies of Hindu astronomy, located all over India. Enshrined in this temple, at Guwahati city, are nine Shiva lingams, covered with a colored garment, symbolic of each of the celestial bodies, with a Shiva lingam in the centre, symbolizing the Sun. They are believed to be older than the temple itself, and the Sun lingam in the middle of nine other planets suggest how advanced the knowledge of astronomy was to our forefathers. As per the inscriptions on the temple walls, the temple was



built by Ahom King Rajeswar Singha in the late 18th century. A tank was also excavated at some distance, to provide regular and easy water for the devotees. This tank, known as Sil-pukhuri, is now an important landmark of Guwahati city.;

Surjya Puja is an ancient practice of the Assamese people. Most scholars believe that the ancient name of the state, Pragjyatishpura, originated from this temple. The word "Prag" means eastern region and "Jyotisha" means star astrology. Hence the region is call the "eastern city of astrology".

**Ugrotara Devalaya:** Ugrotara Temple, dedicated to Tara (Devi), is located in the western side of Jor-Pukhury tanks, in the Latasil locality of Uzan Bazaar. It is an important Shakti shrine. Legend has it that the navel of Sati, fell in this place after her death. The temple is also important to Buddhism as it is generally identified with Tiksna-Kanta, Eka-Jata, etc., of the the Buddhist pantheon.

According to other legends, Yama (Lord of the Hell) made a complain to Brahma that nobody is coming to the Hell from Kamarupa because of the sacredness of the area. The complaint was transferred to Shiva, who ordered Goddess Ugrotara to drive away the people in Kamakhya. In the course of this drive, they laid their hands on Rishi Vasistha, who was meditating at


Sandhyachal. Vasistha become angry and cursed Ugro Tara and Shiva. From then onwards all the



Vedic (Shiva) sadhanas are given up in Kamakhya and Ugro Tara became a Goddess of Vamachara (Tantric) sadhana.

The present temple of Ugotara was built by Ahom King Siva Singha in 1725. In the "garbha-griha", there is no image or idol. A small pit filled with water is considered as the Goddnes. The main festival celebrated here is Navaratri or the festival of nine nights. There is also another ritual of offering one's own blood to the Mother Goddess.

**Sukreswar Temple :** The temple is located on the Sukreswar or Itakhuli hill on the south bank of river Brahmaputra in Panbazar. Legend states that, Sage Sukra had his hermitage on this hillock and he worshiped Lord Shiva in this temple. Dating back to 18th century, the temple is believed to have the largest Shiva lingam or phallic emblem in India.



The KalikaPurana identifies the hillock as Hastigiri hills due to its shape like hump of an elephant. The adjacent embankment is used for holy bathing and performing rituals. It is believed that the dead gain purification if the post-death rituals are performed here.

**Umananda Dol:** Umananda Devaloi is a Shiva temple located at the Peacock Island, in the middle of river Brahmaputra, just opposite Kachari-ghat. It was built by the Ahiom King GadadharSingha. It is known as smallest inhabited riverine island in the world. The mountain on which the temple has been built is known as "Bhasmacala" or "Bhasmakuta". According to legends, Siva is said have resided here in the form of Bhayananda. According to the KalikaPurana, in the beginning of the creation, Siva sprinkled ashes (bhasma) at this place and imparted knowledge to Parvati. When Shiva was in meditation on this hillock, Kamadeva interrupted his yoga and was therefore



burnt to ashes by the fire of Shiva's anger and hence the hillock got the name Bhasmacala.

It also states that Urvasi-kunda is situated here and here resides goddess Urvasi who brings Amrit (nectar) for the enjoyment of Kamakhya and hence the island got the name Urvasi Island. The presiding deity of the temple is Umananda. It is believed that, worship here on the Amavasys day, when it falls on Monday, brings the highest bliss. The Shiva Chaturdasi is the most colourful festival that is held here annually.

Apart from these sites, there asre numerous other religious places whose heritages and cultures are equally important for constructing the "Assamese culture". The number of religious places scattered in and around the vicinity of Guwahati city has

led to its being named the "Temple City". These sites have inherited some rock-cut figures and inscriptions, which speak passionately of the masterly skill of the Assamese craftsmen. The sculptures show that the worshippers primarily followed all the principal Hindu Gods in ancient Assam.

The worship of all female deity in Assam and the different names associated with the goddess symbolizes the "fusion of faiths and practices" of Aryan and non-Aryan elements in Assam. Ganesh Mandir or Ganeshguri, Pandunath Devalay, Karmanashamandir, Lankeswarmandir, Naam-ghars ascribed to Vaishnavism teachings of Sankardeva, Dirgheswari, Ashwaklanta and DoulGovinda temples of North Guwahati, recent structures like Christ Church, Mosques and Buddhist places have equally contributed to the development of our society as we see it today. Our knowledge of these faiths and beliefs helps us to identify our ancestry and directs us towards the proper path of spirituality and civility.

**References:**


1. Kakati, Banikanta,, (1989) "The Mother Goddess Kamakhya".
2. Barua, K.L., "A comprehensive history of Assam".
3. Baruah, S. L., "Last Days of Ahom Monarchy – A History of Assam from 1769 to 1826".
4. Website – Wikipedia, Kamakhyadham.com, Bharatonline.com, Blessingsonthenet.com.


# Wastage of Food


**Swati Bhuyan**
BA Semester -1


After breakfast, lunch and dinner, what happens to the food tossed out, left behind or not eaten? Most people probably don't think about what happens to the scrap of food they don't finish eating in the dining halls -about the remaining chicken, the cupcakes, pizzas, untouched pastas etc.

Food waste has serious implications for society. People unnecessarily spend a lot of time and money on food they don't eat.

Many of the people affected by food waste are little children. Its really shocking to find that about five million children die of starvation per year. Tons of food is dumped to land fills each year when the food thrown away is edible. The people around the world who starve can be saved and can be fed. Ones who are affected the most are the little poor children who eat a meal only once a day or sometimes don't even get any. We together can save many lives by not wasting our food and instead of throwing away the left over edible food, we can at best give them to someone who needs them the most.

We should avoid throwing away good food and help preserve the environment and save money in the process. We should make small efforts to check the global crisis we are facing. So, let's make it a point to buy what we need and eat what we buy. Let's make earth a better place to live in for the future generations to come by saving some of our food

**We should avoid throwing away good food and help preserve the environment and save money in the process.**

## Assamese Dept.



*From Left*

Dr. Bhaskar Patgiri (Ass. Prof)
Mrigendra Nath Sarma (H.O.D.)
Bharati Devi (Ass. Prof)
Mitali Lahkar (P.T. Teacher)



## English Dept.

*From Left*

Kamaruj Jaman (Ass. Prof.)
Priyanka Basumatary (Ass. Prof.)
Pankaj Kr. Kalita (HOD)

## Education Dept.



*From Left*

Ayez Uddin (P.T. Teacher)
Jashmin Bahar (H.O.D.)
Dhrijumoni Das (Ass. Prof)
Mofida Begum (Ass. Prof)



## Economics Dept.

*From Left*

Himangshu Das (Ass. Prof)
Eli Kumari Das (H.O.D.)
Sadhana Kalita (Ass. Prof)
Labanita Deka (P.T. Teacher)

## Political Science Dept.



*From Left*
Arup Kalita (Ass. Prof)
Lina Deka (H.O.D.)
Kabita Das (P.T. Teacher)



## History Dept.

*From Left*
Liky Deka (P.T. Teacher)
Himadree Kumar Sarma (H.O.D.)
Rashmirekha Hazarika (Ass. Prof)

## Philoshopy Dept.



*From Left*
Nashmin Ara Begum (P.T. Teacher)
Bornali Mohan (H.O.D.)
Rumi Barman (Ass. Prof)



## Hindi Dept.

*From Left*
Dibyajyoti Deka (H.O.D.)
Ramesh Kumar Rai (Ass. Prof)

## EVS Dept.



Dr. Angkita Sarma

## Editorial Board



*Sitting from left :* Dibyajyoti Deka,Himadree Kumar Sarma, Pankaj Kumar Kalita Mitali Lahkar, Priyanka Basumatary, Rashmirekha Hazarika, Kamaruj Jaman
*Standing from left :* Deepjyoti Sarma, Anamika Kalita, Dhrubajyoti Sarma.

## Students' Union Body (Adhoc Committee)



*Standing from left :* Deepjyoti Sarma, Aditya Boro, Dhrubajyoti Sarma Tinkumoni Talukdar, Ratul Neog, Jatin Gogoi, Jyoti Swargiary
*Sitting from left :* Sehnaz Begum, Anamika Kalita, Daisy Barman

## Teaching Staff



## Library Staff




*From Left :* Sahidul Islam, Anjana Pathak
Palashi Devi, Pradip Deka

## Office Staff



*Standing from Left :*
Meera Murmu, Anil Baishya, Narayan Pator
*Sitting from left :* Nayanmoni Choudhury,
Munindra Kalita, Sailen Medhi, Amar Das.


## Achievement



**Raju Biswakarma** (Gold Medal)
4th Open National all Martial Art Game
18th Sept 2016



**Salma Begum**
CGPA : 8.0
Pol. Science



**Saddam Hussain**
CGPA : 7.6
Pol. Science



**Himangi Bora**
CGPA : 7.0
Economics



**Kalyan Kalita**
CGPA : 7.0
Philosophy



**Subodh Khakhlari**
CGPA : 7.0, Pol. Science




**Robina Gogoi**
CGPA : 7.0, Hindi



**Bipula Boro**
CGPA : 6.7, Education



**Kalpana Rajbongshi**
CGPA : 6.6, Hindi



**Biswajit Saharia**
CGPA : 6.6, Pol. Science




CULTURAL PROCESSION



CLEANLINESS DRIVE



STREET PLAY CONDUCTED BY STUDENTS



TEACHERS' DAY



PRABHAT PHERI




SEMINAR IN THE DEPT OF ASSAMESE




CULTURAL FESTIVAL



FIELD TRIP TO UMCHANG




College Gate




Foundation Day



Library



Saraswati Puja



Social Activities

*Magazine in-Charge*
Himadree Kumar Sarma
Pankaj Kumar Kalita

*Editors*
Dhrubajyoti Sarma
Anamika Kalita